**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 19-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

HEADLINE

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰাখণ্ডৰ ৰুদ্ৰপুৰত এহেজাৰ ২৭১ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২। ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নয়নৰ লক্ষ্যত উপনীত কৰিবলৈ হ'লে ভাৰতৰ যুৱ প্ৰজন্মক নিচামুক্ত কৰাটো বাঞ্ছনীয় বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই প্ৰকাশ কৰে।

৩। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি কয়, যে ভাৰত আৰু উইৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ মাজত মুক্ত বাণিজ্য চুক্তি অহা এক অক্টোবৰৰ পৰা কাৰ্যকৰী হ'ব।

*আৰু*

৪। হায়দৰাবাদৰ গাচিবৌলী ইনড'ৰ ষ্টেডিয়ামত অহা ৩ আগষ্টৰ পৰা ১০ আগষ্টলৈ দ্বিতীয় মহিলা কাবাডী বিশ্বকাপ অনুষ্ঠিত হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰাখণ্ডৰ ৰুদ্ৰপুৰত এহেজাৰ ২৭১ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৰুদ্ৰপুৰত অনুষ্ঠিত উত্তৰাখণ্ড বিনিয়োগ মহোৎসৱ ২০২৫ত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে দেশৰ বিভিন্ন প্ৰান্তৰ বিনিয়োগৰাকী আৰু উদ্যোগীসকলৰ সৈতে মত বিনিময় কৰে। এই অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যেতিয়ালৈ উত্তৰাখণ্ডৰ দৰে সৰু ৰাজ্যসমূহে উন্নয়নৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে তেতিয়ালৈকে দেশে উন্নতিৰ পথ নেদেখে। সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশৰ সৰু ৰাজ্য আৰু পূবৰ ৰাজ্যসমূহৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীৰ শলাগ লৈ অমিত শ্বাহে কয়, যে তেওঁ ঔদ্যোগিক উন্নয়ন আৰু পৰিৱেশৰ মাজত ভাৰসাম্যতা স্থাপন কৰিছে। তেওঁ লগতে কয়, যে শ্ৰী ধামীয়ে স্বচ্ছ নীতি-কাৰ্যকৰীকৰণ আৰু দূৰদৰ্শিতাৰে উত্তৰাখণ্ডৰ সামগ্ৰিক উন্নয়ন সাধন কৰিছে। আজি প্ৰায় এক লাখ কোটি টকা বিনিয়োগেৰে উত্তৰাখণ্ডত ৮১ হাজাৰৰো অধিক চাকৰিৰ সৃষ্টি সম্ভৱ হৈছে বুলিও শ্ৰী শ্বাহে প্ৰকাশ কৰে।

ooooo

বাৰানসীত যুৱ আধ্যাত্মিক সন্মিলন মুকলি কৰি আজি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কয়, যে ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নয়নৰ লক্ষ্যত উপনীত কৰিবলৈ হ'লে ভাৰতৰ যুৱ প্ৰজন্মক নিচামুক্ত কৰাটো বাঞ্ছনীয়। সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰগঠনত প্ৰতিগৰাকী নাগৰিকৰে সহযোগিতা কামনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দেশৰ যুৱ প্ৰজন্মক সবল কৰা উচিত আৰু ৰাষ্ট্ৰ গঠনত তেওঁলোকৰ সহযোগিতা নিশ্চিত কৰা উচিত। নিচামুক্ত ভাৰত গঠনৰ অভিযানত দেশৰ সকলো জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে শ্ৰী

মান্দাভিয়াই লগতে আহ্বান জনায়। এই সন্মিলনতে কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে কয়, যে নিচামুক্ত ভাৰত গঠনৰ বাবে চৰকাৰে ইতিমধ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।

কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে আধ্যাত্মিক নগৰ হিচাপে কাশীয়ে নিচামুক্ত ভাৰত গঢ়াৰ লক্ষ্য পূৰণ কৰাত যথেষ্ট অৰিহণা যোগাব। এশটাতকৈও অধিক আধ্যাত্মিক আৰু সামাজিক-সাংস্কৃতিক কেন্দ্ৰৰ পৰা পাঁচশৰো অধিক যুৱ প্ৰজন্মই উন্নয়নৰ লক্ষ্যৰে নিচামুক্ত ভাৰত গঢ়াৰ এই দুদিনীয়া সন্মিলনত অংশগ্ৰহণ কৰে।

তদুপৰি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে যুৱ আধ্যাত্মিক সন্মিলনে নিচামুক্ত ভাৰত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে **ইণ্ডি মিত্ৰজোঁটৰ** বিবাদ আৰু বিভাজন নিশ্চিত বুলি বিজেপিয়ে আজি বিৰোধী দলক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদী কয়, যে আম আদমী পাৰ্টীয়ে বিৰোধী মিত্ৰজোঁটত অন্তৰ্ভুক্ত হৈ থকা নাই বুলি ইতিমধ্যে ঘোষণা কৰিছে। শ্ৰী ত্ৰিবেদীয়ে বিৰোধীসকলক সমাগত সংসদৰ বৰ্ষাকালীন অধিৱেশনত ইতিবাচক, ফলপ্ৰসূ আৰু গঠনমূলকভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। মুখপাত্ৰগৰাকীয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সামাজিক মাধ্যমত দিয়া পোষ্টৰ বাবেও সমালোচনা কৰে। ৰাহুল গান্ধীয়ে তেওঁৰ পৰিয়ালক ৰক্ষা কৰিবলৈ নিজৰ পদৰ অপব্যৱহাৰ কৰিছে বুলিও শ্ৰী ত্ৰিবেদীয়ে অভিযোগ উত্থাপন কৰে।

০০০০০

অহা সোমবাৰৰ পৰা হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে চৰকাৰে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২১ জুলাইত আৰম্ভ হ'ব আৰু ২১ আগষ্টত অন্ত পৰিব। এই অধিৱেশনৰ সময়ছোৱাত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়কক লৈ সদনত আলোচনা হ'ব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি কয়, যে ভাৰত আৰু চাৰিখন উইৰোপীয় দেশৰ মাজত মুক্ত বাণিজ্য চুক্তি অহা এক অক্টোবৰৰ পৰা কাৰ্যকৰী হ'ব। **ভাৰতীয় সংলগ্ন বাণিজ্যসংঘ আৰু উদ্যোগৰ** সহযোগত আয়োজিত অধিৱেশনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা বছৰৰ ১০ মাৰ্চত দুয়ো পক্ষ্যই বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰিছিল। উল্লেখযোগ্য যে উইৰোপীয় মুক্ত বাণিজ্য সংস্থাই ১০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে, য'ত চুক্তি কাৰ্যকৰী হোৱাৰ ১০ বছৰৰ ভিতৰত পাঁচ হাজাৰ কোটি টকা আৰু পৰৱৰ্তী পাঁচ বছৰত পাঁচ হাজাৰ কোটি টকা বিনিয়োগ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে কয়, যে কোনো আন্তঃৰাষ্ট্ৰীয় বাণিজ্য চুক্তিয়ে ভাৰতৰ স্বাৰ্থ পূৰণ কৰিলেহে সেই চুক্তিত স্বাক্ষৰ কৰা হ'ব। ভাৰতে সদায় দেশৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ে। শ্ৰী গোৱেলে অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ মানসিকতা পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উমৈহতীয়া বৃদ্ধি আৰু ক্ষুদ্ৰ তথা গুৰু উদ্যোগৰ মাজত পাৰস্পৰিক সহায়-সহযোগিতাৰ বাবে আহ্বান জনায়।

০০০০০

উত্তৰ প্ৰদেশৰ যমুনা এক্সপ্ৰেছৱেত আজি পুৱা হোৱা দুটা পথ দুৰ্ঘটনাত কমেও ছজন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ১৯ জন লোক আহত হয়। মথুৰাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্লোক কুমাৰে কয়, যে পুৱা তিনিবজাত এখন মিনি ভেনে ট্ৰাক এখনত খুন্দিওৱাৰ ফলত প্ৰথমটো অঘটন ঘটে। এই দুৰ্ঘটনাত ছজন লোকে প্ৰা হেৰুওৱাৰ লগতে দুজন লোক আহত হয়। এই দুৰ্ঘটনাৰ এঘণ্টা পাছতে দিল্লীৰ পৰা মধ্যপ্ৰদেশ অভিমুখী এখন ব্যক্তিগত বাছ পথৰ পৰা বাগৰি পৰে। এই দুৰ্ঘটনাত আহত ৮ জন লোকক মথুৰাৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু আহত আন ৯ জনক আগ্ৰাৰ এছ এন মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয়। আহত আটাইকেইজন বৰ্তমান সুস্থিৰ অৱস্থাত আছে বুলি হাস্পতাল কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

ooooo

ছিকিমত কৈলাশ মানসৰোবৰ যাত্ৰা না-থুলা গিৰিপথেদি ভালদৰে চলি আছে। আজি না-থুলাৰ পৰা ষষ্ঠটো দলে তিববত স্বায়ত্তশাসিত অঞ্চললৈ যাত্ৰা কৰিছে। জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে পতাকা জোকাৰি এই যাত্ৰাৰ আৰম্ভণি কৰে। বৰ্তমানলৈকে চাৰিটা দলে এই যাত্ৰা সম্পূৰ্ণ কৰিছে আৰু পঞ্চমটো দল কৈলাশ মানসৰোবৰৰ পৰা গেংটক অভিমুখে আহি আছে। না-থুলা হৈ আন চাৰিটা দলে এইবছৰত কৈলাশ মানসৰোবৰলৈ যাত্ৰা কৰিব। প্ৰতিটো দলৰ সৈতে একোজনকৈ চিকিৎসক, ৰান্ধনী আৰু সম্পৰ্কৰক্ষী বিষয়া গৈছে। যাত্ৰা আৰম্ভ হোৱাৰ পূৰ্বে ছিকিমৰ বিভিন্ন স্থানত প্ৰতিগৰাকী তীৰ্থযাত্ৰীয়ে ৪-৫ দিনৰ বিশেষ প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক কৰা হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা তীৰ্থযাত্ৰীসকলৰ বাবে এই যাত্ৰা আৰামদায়ক আৰু সুবিধাজনক কৰি তোলাৰ বাবে সেনাবাহিনী, আই টি বি পি, সীমান্ত পথ সংস্থা, বি এছ এন এলৰ লগতে ছিকিম চৰকাৰে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

বিধিবলৱৎকাৰী সঞ্চালকাল-ইডিয়ে অনলাইন বেটিং এপ গোচৰৰ সংক্ৰান্তত প্ৰযুক্তি বিষয়ক কোম্পানী গুগ'ল আৰু মেটালৈ জাননী জাৰি কৰিছে। সূত্ৰই জনোৱা অনুসৰি ইডিয়ে দুয়োটা কোম্পানীৰ প্ৰতিনিধিক সোমবাৰে দিল্লীৰ মুখ্য কাৰ্যালয়লৈ তলব কৰিছে। সংস্থাটোৱে অনলাইন বেটিং এপসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ডিজিটেল মঞ্চসমূহৰ ভূমিকাৰ বিষয়টো পৰীক্ষা কৰি আছে।

ooooo

- চীনে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিছে আৰু আঞ্চলিক নিৰাপত্তাৰ বাবে সন্ত্ৰাসবাদ প্ৰতিৰোধী সহযোগিতা বৃদ্ধি কৰিবলৈ আহ্বান জনাইছে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত জড়িত তকাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই পাকিস্তানৰ লস্কৰ-ই-তৈয়বা সহযোগী সংগঠন দ্য ৰেজিষ্টেন্স ফ্ৰণ্টক বিদেশী সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশক কৰি চীনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ লিন জিয়ানে কয় যে দেশখনে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰোধিতা কৰে। দ্য ৰেজিষ্টেন্স ফ্ৰণ্ট নামৰ সংগঠনটোৱে ২৬ জনকৈ নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা পেহেলগাম আক্ৰমণৰ দায়িত্ব

স্বীকাৰ কৰিছিল যদিও পাছত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি পোৱাত পাভলুটি মাৰিছিল। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ নিষেধাজ্ঞা ব্যৱস্থাৰ অধীনত পাকিস্তানৰ কেইবাটাও সন্ত্ৰাসবাদী গোট আৰু ব্যক্তি তালিকাভুক্ত হৈ আছে । এই ব্যৱতাৰ অধীনত সম্পত্তি জব্দ কৰা হয়, ভ্ৰমণ আৰু অস্ত্ৰ-শস্ত্ৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হয়। এনে নিষিদ্ধ সংগঠনৰ ভিতৰত লস্কৰ-ই তৈয়বা, জৈছ-ই-মহম্মদ আৰু জামাত-উদ-দাৱাৰ উপৰি হাফিজ ছইদ আৰু মাছুদ আজহাৰৰ দৰে সন্ত্ৰাসবাদী আছে।

০০০০০

হায়দৰাবাদৰ গাচিবৌলী ইনড'ৰ ষ্টেডিয়ামত অহা ৩ আগষ্টৰ পৰা ১০ আগষ্টলৈ দ্বিতীয় মহিলা কাবাডী বিশ্বকাপ অনুষ্ঠিত হ'ব। ২০০৫ চনত এছিয়ান কাবাডী চেম্পিয়নশ্বিপৰ পাছত হায়দৰাবাদে প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহিলা কাবাডী প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই বিশ্বকাপত ১৪ খন দেশে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ইতিমধ্যে আৰ্জেণ্টিনা, বাংলাদেশ, চাইনীজ টাইপেই, জাৰ্মানী, হোলেণ্ড, ইৰান, জাপান, কেনিয়া, নেপাল, থাইলেণ্ড, ওগান্দা, জঞ্জিবাৰ আৰু আয়োজক ভাৰতে প্ৰতিযোগিতাত অংশগ্ৰহণ নিশ্চিত কৰিছে। উল্লেখযোগ্য যে ২০১২ চনত প্ৰথমখন মহিলা কাবাডী বিশ্বকাপত ভাৰতে ইৰানক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ জয় কৰিছিল।

০০০০০

এফ আই ডি ই বিশ্ব মহিলা কাপ ডবা প্ৰতিযোগিতাত অভিলেখ সৃষ্টি কৰি ভাৰতৰ ৪ গৰাকী খেলুৱৈ ক্ৰমে গ্ৰেণ্ড মাষ্টাৰ কনেৰু হাম্পী, ডি হাৰিকা, আৰ বৈশালী আৰু আন্তৰ্জাতিক মাষ্টাৰ দিববা দেশমুখে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলত ৪ গৰাকী খেলুৱৈয়ে প্ৰৱেশ কৰা ভাৰত হৈছে প্ৰথমখন দেশ।

০০০০০

ঃঃ সমাপ্ত ঃঃ